# অসম আদিত্য

শাওণ, ১৯৪৮ শক ■ সোমবাৰ, ২৭ জুলাই, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, July 27, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


### সংস্কৃতিৰ মাধ্যমেৰে জীৱনক ভালপোৱাৰ আন্দোলন গঢ়িব লাগিব ঃ ড° শশীকান্ত শইকীয়া

## ডিব্ৰুগড়ত গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাৰ সামৰণি

ডিব্ৰুগড়, ২৬ জুলাইঃ 'সংস্কৃতিৰ মাধ্যমেৰেই জীৱনক ভালপোৱাৰ আচল অনুভূতিক উপলব্ধি কৰিব পাৰি। আমি জীৱনক ভালপোৱাৰ আন্দোলন সংস্কৃতিৰ মাধ্যমেৰে, গীতৰ মাধ্যমেৰে, নৃত্যৰ মাধ্যমেৰে আগুৱাই নিব লাগিব।' —সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড় বিধানসভা সমষ্টি ভিত্তিত ১২ জুলাইৰ পৰা অনুষ্ঠিত হোৱা ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ আজিৰ সামৰণী অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। তেওঁ আৰু কয়- বিগত ১৫ দিনে প্ৰশিক্ষাৰ্থীসকলক প্ৰদান কৰা নৃত্য, গীতৰ ব্যাকৰণে উঠি অহা প্ৰজন্মক জীৱনৰ লক্ষ্য বিচাৰি পোৱাত সহায় কৰিব। জীৱনক ভালপোৱাৰ আন্দোলনক সহায় কৰিব। এই ধৰণৰ সাংস্কৃতিক সজাগতাই সমাজখনক সঠিক দিশত আগুৱাই নিয়াত মূল চালিকাশক্তি হিচাপে কাম কৰিব বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। ডিব্ৰুগড়ৰ লাচিতনগৰস্থিত বি এল বেৰীয়া সৰস্বতী শিশু মন্দিৰত অনুষ্ঠিত এইপ্ৰশিক্ষাৰ অন্তত চৌকিডিঙীস্থিত ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত এক বৰ্ণাঢ্য সামৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। সত্ৰীয়া কলাকৃষ্টি কেন্দ্ৰই আঁত ধৰা এই বিশেষ কৰ্মশালাত অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীক সত্ৰীয়া নৃত্য, লোকনৃত্যৰ উপৰিব্ৰজাৱলী ভাষাত 'ৰাম বিজয়' ভাওনাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। অনুষ্ঠানত অসম গৌৰৱ বঁটাপ্ৰাপ্ত জ্যেষ্ঠ শিল্পী ৰামচন্দ্ৰ চাচনীয়ে অংশগ্ৰহণকাৰীসকলৰ নৃত্য পৰিৱেশনৰ ভূয়সী প্ৰশংসা কৰে। ইয়াৰ সমান্তৰালভাৱে তিৱা জনগোষ্ঠীয় নৃত্য শুদ্ধ ৰূপত উপস্থাপন কৰাৰ স্বাৰ্থত ভৱিষ্যতে পাৰম্পৰিক গীতৰ সঠিক প্ৰশিক্ষণ নিজে প্ৰদান কৰাৰো আশ্বাস দিয়ে। আনহাতে, বিশিষ্ট সাংবাদিক তথা ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক, সাহিত্যিক ৰাতুল বুঢ়াগোহাঁইয়ে সত্ৰীয়া নৃত্য কেৱল মাত্ৰ এটা নৃত্যই নহয়, বৰঞ্চ ই অসমীয়া জাতিৰ চিনাকি বুলি মন্তব্য কৰি এই উদ্যোগক বিশেষভাৱে অভিনন্দন জনায়। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত বিশিষ্ট সমাজসেৱক জ্যোতিপ্ৰসাদ কানৈ, অতিৰিক্ত জিলা আয়ুক্ত শ্ৰাৱণা সোনোৱাল,





সাহিত্য সভাৰ আঞ্চলিক সম্পাদক শান্তনু লহকৰ, বিশিষ্ট শিল্পী ভুৱণ গগৈ, সাংবাদিক সুৰজ দত্ত, নীলোৎপল কোঁৱৰ, নিৰ্মল কান্তি শীল আৰু ডাঃ জয়ন্ত মাধৱ চলিহাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰে। আবেলিৰ মনোজ্ঞ কাৰ্যসূচীত অসমৰ বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা বৰগীত, ভোৰতাল নৃত্য, মাটি আখৰা আৰু চালি নৃত্যৰ লগতে মনোগ্ৰাহী 'ৰাম বিজয়' ভাওনা প্ৰদৰ্শন কৰা হয়। যোৰহাটৰ দেৱজিৎ কলিতা মুখ্য প্ৰশিক্ষক আৰু সত্ৰীয়া কলাকৃষ্টি কেন্দ্ৰৰ স্থায়ী অধ্যাপক মোহন তামুলী সহযোগী প্ৰশিক্ষক হিচাপে থকা এই কৰ্মশালাত মাজুলী আৰু ৰাজগড়ৰ দক্ষ বাদ্যশিল্পীসকলে সহযোগ কৰে। সৰ্বমুঠ ৭৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ শেষত অংশগ্ৰহণকাৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়।